**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::::::::::**

১। বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, ঘৰুৱা ব্যৱহাৰ্য ৰন্ধন গেছ্‌ কঢ়িয়াই অনা শিৱালীক নামৰ জাহাজখন আজি সন্ধিয়া গুজৰাটৰ মুন্দ্ৰা বন্দৰত উপস্থিত হ'ব।
২। অসমৰ মুখ্য নিৰ্বাচনী বিষয়াই আজি ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি ঘোষণা কৰিছে।
৩। ভাৰতীয় জনতা পাৰ্টীয়ে আজি বিধানসভা নিৰ্বাচনৰ বাবে পশ্চিমবংগ আৰু কেৰালাৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।
৪। দেশত আত্মসংস্থাপনৰ হাৰ ২০১৭-১৮ বৰ্ষৰ ৫২ শতাংশৰ পৰা সম্প্ৰতি ৫৮ শতাংশলৈ বৃদ্ধি পাইছে। ***আৰু***
৫। গ্ৰাহকক সুলভ মূল্যত ৰন্ধন গেছ্‌ উপলব্ধ কৰিবৰ হেতু চৰকাৰে তেল কোম্পানীসমূহক ২০২৫-২৬ বৰ্ষত ক্ষতিপূৰণ হিচাপে ৩০ হাজাৰ কোটি টকা আদায় দিছে।

ooooo

বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই আজি জানিবলৈ দিছে যে, ঘৰুৱা ব্যৱহাৰ্য ৰন্ধন গেছ্‌ কঢ়িয়াই অনা শিৱালীক নামৰ জাহাজখন আজি সন্ধিয়া গুজৰাটৰ মুন্দ্ৰা বন্দৰত উপস্থিত হয়। এই জাহাজখনত ৪৪ হাজাৰ মেট্ৰিকটন এল পি জি কঢ়িয়াই অনা হৈছে।

শ্ৰীসিনহাই জানিবলৈ দিয়ে যে এল পি জি কঢ়িয়াই অনা নন্দা দেৱী নামৰ আনখন জাহাজ কাইলৈ ভাৰতত উপস্থিত হ'ব। শ্ৰীসিনহাই লগতে কয় যে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ পৰা ভাৰতীয় পতাকা উৰুৱাই অনা আনখন জাহাজ সুকলমে ভাৰতলৈ ৰাওনা কৰিছে। এই জাহাজখনত ৮১ হাজাৰ টনৰো অধিক খাৰুৱা তেল কঢ়িয়াই অনা হৈছে। বিগত ২৪ ঘণ্টাত পাৰস্য উপসাগৰীয় অঞ্চলত ভাৰতীয় জাহাজত কোনো ধৰণৰ কূটাঘাট সংঘটিত হোৱাৰ তথ্য পোৱা নাই। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ্‌ দপ্তৰৰ যুটীয়া সচিব সুজাতা শৰ্মাই জানিবলৈ দিছে যে দেশত পৰ্যাপ্ত পৰিমাণৰ খাৰুৱা তেল মজুত আছে আৰু সমগ্ৰ দেশৰ শোধানাগাৰসমূহত সৰ্বোচ্চ পৰিমাণত শোধন কৰি থকা হৈছে। তেওঁ লগতে কয়, যে দেশৰ পেট্ৰল ডিপোসমূহ সাধাৰণভাৱে কাৰ্যক্ষম হৈ আছে। তেওঁ কয় যে ডিপোসমূহলৈ উপযুক্ত ব্যৱস্থাৰ জৰিয়তে বিগত মাহত ৫৩ শতাংশৰ পৰা ৭২ শতাংশলৈ অধিক তেল যোগান ধৰা হৈছে। কলা বজাৰ ৰোধ কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ৫৫০ ৰো অধিক ভাৰতীয়ই ভূ সীমান্তৰে আৰ্মেনিয়াত প্ৰৱেশ কৰিছে। তেহৰাণত থকা ভাৰতীয় দূতাবাসৰ লগত যোগাযোগ কৰি ৯০ গৰাকী ভাৰতীয়ই ভূ সিমান্তইদি আজাৰবাইজানত প্ৰৱেশ কৰিছে। জটিল পৰিস্থিতিৰ মাজতো ভাৰতীয় দূতাবাসে দেশখনত থকা ভাৰতীয়সকলক বিশেষ সাহায্য প্ৰদান কৰি আছে। শ্ৰীজয়ছোৱালে কয়

যে বিগত কেইটামান দিনত তেহৰাণৰ বাহিৰত থকা ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক এক সুকলমে একগোট কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পাৰস্যৰ যুটীয়া সচিব অসীম মহাজনে জানিবলৈ দিছে যে বিগত মাহৰ ২৮ তাৰিখৰ পৰা প্ৰায় ২ লাখ ২০ হাজাৰৰো অধিক যাত্ৰী অঞ্চলটোৰ পৰা ভাৰতলৈ উভতি গৈছে। তেওঁ লগতে কয় যে চৌদি আৰব আৰু ওমানৰ পৰা ভাৰতৰ বিভিন্ন বিমান বন্দৰলৈ বিমান সেৱা মুকলি কৰা হৈছে। শ্ৰীমহাজনে জানিবলৈ দিছে যে ওমানত অলপতে হোৱা আক্ৰমণত প্ৰাণ হেৰুওৱা দুগৰাকী ভাৰতীয়ৰ নশ্বৰ দেহ অচিৰেই ভাৰতলৈ অনা হ'ব। মাছকাটত থকা ভাৰতীয় দূতাবাসৰ সৈতে এই সন্দৰ্ভত যোগাযোগ অব্যাহত ৰখা হৈছে।

০০০০০

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি আজি ঘোষণা কৰিছে। অসমৰ ১২৬ টা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰাৰ অন্তিম তাৰিখ ২৩ মাৰ্চ। তেওঁ কয় যে ৰাজ্যখনৰ ১২৬ টা সমষ্টিৰ ৯ টা সমষ্টি অনুসূচীত জাতি আৰু ১৯ টা সমষ্টি অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত। সৰ্বমুঠ ৰাজ্যখনৰ ২ কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটাৰ আছে। মুখ্য নিৰ্বাচন বিষয়াগৰাকীয়ে আৰু কয় যে ৰাজ্যখনৰ সৰ্বমুঠ ৩১ হাজাৰ ৪৮৬ টা ভোটকেন্দ্ৰত এশ শতাংশই ৱেবকাষ্টিং হ'ব। বিষয়াগৰাকীয়ে জনাই যে সশস্ত্ৰ আৰক্ষী বাহিনীৰ ২০০ টা কোম্পানী ইতিমধ্যে ৰাজ্যখনত উপস্থিত হৈছে আৰু চলিত সপ্তাহত আৰু অধিক সশস্ত্ৰ আৰক্ষী বাহিনীৰ কোম্পানী আহি পাব।

ইয়াৰ আগেয়ে কালি দেশৰ নিৰ্বাচন আয়োগে অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত হ'বলগীয়া নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজ্যকেইখনত নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হৈছে। অসম, কেৰালাম আৰু পুডুচেৰীত অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ লগতে তামিলনাডুত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

২৪ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২৬ মাৰ্চ হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে অসম বিধানসভা নিৰ্বাচনৰ বাবে অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া মনজিৎ সিঙক আজি বিশেষ পৰ্যবেক্ষক ৰূপে নিযুক্তি দিছে। বিষয়াগৰাকীয়ে অসমৰ নিৰ্বাচনৰ সমগ্ৰ দিশ পৰ্যবেক্ষণৰ লগতে সমষ্টিসমূহত নিৰ্বাচনী কাৰ্যকলাপৰ ওপৰত নজৰ ৰাখিব। ৰাজ্যিক নিৰ্বাচন আয়োগৰ সহযোগত তেওঁ বিধানসভা নিৰ্বাচনৰ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ আৰু নিৰ্বাচনী বিধি উলংঘা বিষয়টো গুৰুত্ব সহকাৰে চোৱাচিতা কৰিব। এই সময়ছোৱাত কোনো লোকে নিৰ্বাচনী বিধি উলংঘাৰ চেষ্টা কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০

বিজেপিয়ে আজি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ বাবে ১৪৪ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। পশ্চিমবংগ বিধানসভাৰ বিৰোধী নেতা শুভেন্দু অধিকাৰীৰ নন্দিগ্ৰাম আৰু ভৱানীপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াব। লোকসভাৰ প্ৰাক্তন সাংসদ দিলীপ ঘোষে খড়গপুৰ সদৰ সমষ্টিত প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে

ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ স্বপন দাস গুপ্তাই ৰাজবিহাৰী সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰিব। ৰাজ্যখনত দুটা পৰ্যায়ত ২৩ আৰু ২৯ এপ্ৰিলত ২৯৪ জনীয়া বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ মে'ত ভোটগণনা কৰা হ'ব।

ooooo

ভাৰতীয় জনতা পাৰ্টীয়ে আজি আসন্ন কেৰালা বিধানসভা নিৰ্বাচনৰ বাবে ৪৭ জনীয়া প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জৰ্জ কুৰিয়াণ কানজিৰাপল্লী বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে দলৰ ৰাজ্যিক সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰ শেখৰে নেমম সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰিব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ভি মুৰলীধৰণে কাজাকুট্টম সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে দলৰ প্ৰাক্তন ৰাজ্যিক সভাপতি কে সুৰেন্দ্ৰনে মঞ্জেশ্বৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰিব। ৰাজ্যখনৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে ৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ ভোটগণনা ৪ মে'ত কৰা হ'ব।

ooooo

দেশত আত্মসংস্থাপনৰ হাৰ ২০১৭-১৮ বৰ্ষৰ ৫২ শতাংশৰ পৰা সম্প্ৰতি ৫৮ শতাংশলৈ বৃদ্ধি পাইছে। চৰকাৰে আজি লোকসভাত এই কথা প্ৰকাশ কৰে। সদনৰ শূন্যকালত উত্থাপিত পৰিপূৰক প্ৰশ্নৰ উত্তৰ দি শ্ৰম আৰু নিয়োগ দপ্তৰৰ মন্ত্ৰী মনসুখ মাণ্ডাভিয়াই কয় যে দেশৰ অৰ্থনৈতিক বিকাশৰ সমান্তৰালভাৱে শ্ৰমিক কৰ্মচাৰীসকলৰ উপাৰ্জনৰ পৰিমাণো বৃদ্ধি পাইছে। অংশকালীন শ্ৰমিকসকলৰ গড় দৈনিক মজুৰি ২০১৭-১৮ বৰ্ষৰ ২৯৫ টকাৰ পৰা বৰ্তমান এই পৰিমাণ ৪১৮ টকালৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে শ্ৰম বিধি অনুসৰি ন্যূনতম মজুৰি নিৰ্ধাৰণ কৰা হৈছে আৰু সকলো ৰাজ্যই এই নিৰিখতকৈ অধিক পৰিমাণৰ মজুৰি প্ৰদান কৰাটো বাধ্যতামূলক। নতুন শ্ৰম বিধি কাৰ্যকৰী হোৱাৰ লগে লগে মাহিলী দৰমহা লাভ কৰা কৰ্মচাৰীসকলক নিয়োগকৰ্তাই পৰা নিযুক্তিপত্ৰ প্ৰদান কৰিব লাগিব আৰু ইয়াৰ ফলত তেওঁলোকৰ সামাজিক সুৰক্ষা নিশ্চিত হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

ooooo

গ্ৰাহকক সুলভ মূল্যত ৰন্ধন গেছ উপলব্ধ কৰিবৰ হেতু চৰকাৰে তেল কোম্পানীসমূহক ২০২৫-২৬ বৰ্ষত ক্ষতিপূৰণ হিচাপে ৩০ হাজাৰ কোটি টকা আদায় দিছে। ৰাজ্যসভাত আজি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছৰ ৰাজ্যমন্ত্ৰী সুৰেশ গোপীয়ে এটা লিখিত প্ৰশ্নৰ উত্তৰত এইদৰে কয়। তেওঁ কয় যে ২০২২-২৩ বৰ্ষত ক্ষতিপূৰণ হিচাপে ২২ হাজাৰ কোটি টকা আদায় দিয়া হৈছিল। তেওঁ কয়, যে বৰ্তমান ৰন্ধন গেছৰ ১৪ দশমিক ২ কিলোগ্ৰামৰ ঘৰুৱা চিলিণ্ডাৰৰ দিল্লীত বিক্ৰী মূল্য হৈছে ৯১৩ টকা। তেওঁ আৰু কয়, যে প্ৰধানমন্ত্ৰী উজ্বলা আঁচনিৰ অন্তৰ্ভুক্ত গ্ৰাহকসকলৰ প্ৰতিটো চিলিণ্ডাৰত ৰাজ সাহায্য ৩০০ টকা হোৱাৰ বাবে সেই আঁচনিৰ হিতাধিকাৰীসকলৰ বাবে চিলিণ্ডাৰৰ মূল্য ৬১৩ টকা।

ooooo

দেশৰ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মহিলা উদ্যোগীসকলক সহায়ৰ বাবে সহায়ৰ বাবে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই ষ্টেণ্ডআপ ইণ্ডিয়া আঁচনিৰ এটা আধুনিক সংস্কৰণ মুকলি কৰিব। লোকসভাৰ প্ৰশ্নকালত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে ২০১৬ চনৰ এপ্ৰিলত আৰম্ভ কৰা ষ্টেণ্ডআপ ইণ্ডিয়া আঁচনিৰ ম্যাদ যোৱাবছৰৰ মাৰ্চত উকলি গৈছে। নীতি আয়োগ আৰু অন্যান্য বিভাগসমূহে এই আঁচনি সন্দৰ্ভত বিশদভাৱে অধ্যয়ন কৰি হিতাধিকাৰীসকলক অধিক লাভান্বিত কৰিব পৰাকৈ

নতুন খচৰা যুগুত কৰি আছে। এই আঁচনিৰ অধীনত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মহিলা হিতাধিকাৰীসকলক ১০ লাখৰ পৰা এক কোটি টকালৈ বেংকযোগে ঋণ দিয়াৰ ব্যৱস্থা কৰা হয়। বেংকৰ প্ৰতিটো শাখাই এগৰাকীকৈ মহিলাক এই ঋণ প্ৰদান কৰে।

০০০০০

তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছ দল সাংবিধানিক সংস্থাসমূহক আক্ৰমণৰ লক্ষ্য কৰি লোৱাত অভ্যস্ত আৰু তেওঁলোকৰ এনে বিষয় নিষ্পত্তিৰ সৈতে কেন্দ্ৰীয় চৰকাৰ নাইবা সংসদ জড়িত নহয় বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে মন্তব্য কৰিছে। আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পশ্চিমবংগত কেইবাগৰাকী আৰক্ষী বিষয়াৰ বদলিক লৈ ৰাজ্যসভাত সৃষ্টি হোৱা বাদ-বিবাদক কেন্দ্ৰ কৰি তৃণমূল কংগ্ৰেছ দলে উচ্চ সদন ত্যাগ কৰাৰ পাছত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। নিৰ্বাচন আয়োগৰ সিদ্ধান্তক সমৰ্থন জনাই শ্ৰী ৰিজিজুৱে কয়, যে এই বিষয়টো এটা সাংবিধানিক সংস্থাৰ সৈতে জড়িত আৰু চৰকাৰ নাইবা সংসদৰ এইবিষয়ে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত কোনো ভূমিকা নাই। সদনৰ সদস্যৰ আদালত আৰু নিৰ্বাচন আয়োগৰ সিদ্ধান্তক লৈ প্ৰশ্ন কৰাৰ অধিকাৰ নাই বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে সংবিধান অনুসৰি নিৰ্বাচন আয়োগৰ নিজস্ব ক্ষমতা আছে আৰু আয়োগে স্বতন্ত্ৰভাৱে কাৰ্যনিৰ্বাহ কৰিব পাৰে। সাংবিধানিক সংস্থাসমূহক সন্মান জনোৱাটো প্ৰতিগৰাকী নাগৰিকৰ দায়িত্ব বুলি উল্লেখ কৰি শ্ৰী ৰিজিজুৱে কয়, যে তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছ দলে এনে সংস্থাসমূহৰ কাৰ্যকলাপত অনধিকাৰ আঘাত হনাৰ চেষ্টা চলাই আছে। এই বিষয়সমূহ সদনত উত্থাপন কৰি অকাৰণতে সদনৰ মূল্যবান সময় নষ্ট কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ